# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-June-2026 **Time :** 0755 Hrs.

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ১২ বছৰীয়া কাৰ্যকালৰ সুশাসনৰ বাৰ্তা লৈ বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই কালি শিৱসাগৰ জিলাৰ ডিমৌত জনসম্পৰ্ক যাত্ৰা সম্পন্ন কৰে। যাত্ৰাৰ অংশ হিচাপে শ্ৰী মাৰ্ঘেৰিটাই শিক্ষা, সাহিত্য আৰু সংস্কৃতিৰ সৈতে জড়িত সমষ্টিটোৰ ছগৰাকী বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰে। তেওঁ ডিমৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ঘনকান্ত গগৈ, ডিমৌ মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ডঃ বিপুল গগৈ, হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ লোহিত শইকীয়া, নৃত্যালয়ৰ অধ্যক্ষা পূবালী ঠেঙাল আৰু প্ৰাক্তন সেনা বিষয়া কৌশিক চেতিয়াৰ বাসগৃহত গৈ তেওঁলোকক ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই সাক্ষাৎকালত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক পদক্ষেপ তথা প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰে।

বাইট

০০০০০০০

লোকপিয়ল-২০২৭ৰ কাৰ্য্যসূচী সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে কালি চৰাইদেউত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত প্ৰশিক্ষণ আৰু ক্ষেত্ৰ পৰ্য্যায়ৰ কৰ্মীসকলৰ দক্ষতা বৃদ্ধিৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। সভাখনত সঠিক তথ্য, শৃংখলাৱদ্ধ প্ৰশিক্ষণ প্ৰক্ৰিয়া আৰু ক্ষেত্ৰ পৰ্য্যায়ৰ সু-সমন্বয় ৰক্ষা কৰা বিষয়ত আলোচনা কৰা হয়। চৰাইদেউ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত সৰোজ সোণোৱালে এই সভাত সভাপতিত্ব কৰে। সভাখনত সহকাৰী আয়ুক্ত তথা কাৰ্য্যবাহী দণ্ডাধীশ অম্লান ফুকনে লোক-পিয়লৰ প্ৰস্তুতি আৰু পৰ্য্যায়সমূহৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ প্ৰশিক্ষণ আৰু তথ্য সংগ্ৰহৰ সময়ত নিজৰ দায়িত্বসমূহ তথা চৰকাৰী নিৰ্দেশসমূহ সুচাৰুৰূপে পালন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

০০০০০০০

শিৱসাগৰ জিলাৰ ডিমৌৰ অসম বীজ নিগমৰ গুদামৰ পৰা বহু পৰিমাণৰ উন্নতজাতৰ ধান চুৰি কাৰ্যৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে কালি চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে যোৱা বুধবাৰে নিশা অসম বীজ নিগমৰ ডিমৌ শাখাৰ তত্বাৱধানত থকা গুদামৰ তলা ভাঙি দুৰ্বৃত্তই ৭২ বস্তা উন্নত জাতৰ ৰঞ্জিত ধান আৰু এবস্তা তিল চুৰি কৰে। চুৰি হোৱা ধানখিনি চৰাইদেউ জিলাৰ কৃষকসকলক কঠীয়াৰ বাবে বিতৰণ কৰিবলৈ মজুত কৰি ৰখা হৈছিল। এই ঘটনাৰ পাছতে গুদামৰ পৰিচালকে ডিমৌ থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে প্ৰাৰম্ভিক তদন্তৰ অন্তত চুৰি কাণ্ডৰ সৈতে জড়িত থকাৰ অভিযোগত গুদামৰ নৈশ চকীদাৰ অৰুণ চাওৰাৰ লগতে মধুপুৰৰ নিপেন চেতিয়া, বিজয় চেতিয়া আৰু সন্তোষ প্ৰসাদ নামৰ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে।

০০০০০০০

মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত কালি কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা **আটমাৰ** আঁচনিৰ অধীনত জিলাখনৰ কৃষক ৰাইজলৈ কৃষি আৰু আনুসংগিক খণ্ডৰ প্ৰদৰ্শনীমূলক দ্ৰব্য আৰু অন্যান্য সহায়ক কৃষি আহিলাৰ আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। অনুষ্ঠানত মাজুলী উন্নয়ন খণ্ড আৰু উজনী মজুলী উন্নয়ন খণ্ডৰ প্ৰায় ৩০ গৰাকী কৃষকক উচ্চ উৎপাদনক্ষম উন্নতমানৰ ধানৰ বীজ, স্প্ৰে মেচিন, জৈৱ সাৰ আদি সামগ্ৰী বিতৰণ কৰা হয়। সামগ্ৰী বিতৰণ উপলক্ষে গড়মূৰস্থিত বিভাগীয় গুদামত আয়োজিত এটা অনুষ্ঠানত আনুষ্ঠানিকভাৱে কৃষক ৰাইজলৈ এই কৃষি সামগ্ৰী তথা কৃষি

যন্ত্রসমূহ মাজুলীৰ বিধায়ক ভূবন গামে বিতৰণ কৰে। অনুষ্ঠানত কৃষি উন্নয়ন বিষয়া ৰাজা ফুকন, সহকাৰী কৃষি পৰিদৰ্শক আটমাৰ উপ-প্ৰকল্প সঞ্চালককে ধৰি কৃষক উৎপাদক কোম্পানীৰ বিষয়ববীয়া তথা কৃষক ৰাইজ উপস্থিত থাকে।

০০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কোৰিয়ান ভাষা কেন্দ্ৰলৈ দক্ষিণ কোৰিয়াৰ ৱৰ্ল্ড ফ্ৰেগৰেণ্ট কো-অপাৰেচন নামৰ মানৱতাবাদী এটা সংস্থাই প্ৰায় ১২ হাজাৰ গ্ৰন্থ দান কৰিছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য অধ্যাপক ড০ জিতেন হাজৰিকা, পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে সংস্থাটোৰ এই বৰঙণিত কৃতজ্ঞতা প্ৰকাশ কৰি কয়, যে সংস্থাটোৰ এই প্ৰয়াসে ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু দক্ষিণ কোৰিয়াৰ মাজত শৈক্ষিক তথা সাংস্কৃতিক ক্ষেত্ৰখনৰ আদান-প্ৰদানত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। অনাগত দিনত এনে পদক্ষেপৰ জৰিয়তে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় হ'ব বুলিও উপাচাৰ্য্যগৰাকীয়ে মত প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**